**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-01-2026 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। লালু প্ৰসাদ যাদৱ আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলৰ বিৰুদ্ধে দিল্লীৰ এখন আদালতে ৰে'লৰে ভূমিৰ বাবদ চাকৰি প্ৰদানৰ অভিযোগত দুৰ্নীতিৰ গোচৰৰ অভিযোগনামা আৰোপ কৰিছে।

২। নতুন দিল্লীত আজিৰে পৰা বিকশিত ভাৰত যুৱ নেতা আলোচনা, ২০২৬ আয়োজন কৰা হৈছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰবাসী ভাৰতীয় দিৱস উপলক্ষে শুভেচ্ছা জনাইছে।

৪। ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীত ৰে'লৱেৰ ১০০ গৰাকী বিষয়াক ৭০ সংখ্যক অতি বিশিষ্ট ৰে'ল সেৱা পুৰস্কাৰ প্ৰদান কৰিব।

*আৰু*

৫। ভাৰতৰ পি ভি সিন্ধু কুৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

0000000

ৰাষ্ট্ৰীয় জনতা দলৰ সভাপতি লালু প্ৰসাদ যাদৱ আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলৰ বিৰুদ্ধে দিল্লীৰ এখন আদালতে আজি ৰে'লৰে ভূমিৰ বাবদ চাকৰি প্ৰদানৰ অভিযোগত দুৰ্নীতিৰ গোচৰৰ অভিযোগনামা আৰোপ কৰিছে। কেন্দ্ৰীয় তদন্তকাৰী সংস্থা, চি বি আইয়ে চলাই থকা তদন্তৰ অংশ হিচাপে ৰাউজ এভিনিউ আদালতে লালু প্ৰসাদ যাদৱ, তেওঁৰ পত্নী ৰাবৰি দেৱী, দুই পুত্ৰ তেজস্বী যাদৱ আৰু তেজ প্ৰতাপ যাদৱ, দুই জীয়ৰী মিছা ভাৰতী আৰু হেমা যাদৱকে ধৰি আন কেইবাজনৰ বিৰুদ্ধে দুৰ্নীতি, ঠগ আৰু অপৰাধমূলক ষড়যন্ত্ৰ কৰাৰ প্ৰাৰম্ভিক গোচৰ ৰুজু কৰিছে। লালু প্ৰসাদ যাদৱৰ বিৰুদ্ধে দুৰ্নীতি প্ৰতিৰোধ আইন, ১৯৬৮-ৰ ধাৰাৰ অধীনত অন্যান্য অভিযুক্তসকলৰ সৈতে অভিযোগ আৰোপ কৰা হৈছে। বিশেষ ন্যায়াধীশৰ আদালতে লালুপ্ৰসাদ যাদৱ আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলে অপৰাধমূলক চক্ৰৰূপে কাম কৰা আৰু ৰে'ল বিভাগত চাকৰিৰ টোপ দি ব্যক্তিগত স্বাৰ্থৰ সম্পত্তি আহৰণৰ ব্যাপক ষড়যন্ত্ৰ ৰচিছিল বুলি মন্তব্য কৰে।

000000000

নতুন দিল্লীত আজিৰে পৰা বিকশিত ভাৰত যুৱ নেতা আলোচনা, ২০২৬ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালৰ উপস্থিতিত আনুষ্ঠানিকভাৱে এই আলোচনা মুকলি কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১২ জানুৱাৰীত সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ কথা। এই চাৰিদিনীয়া অনুষ্ঠানত সমগ্ৰ দেশৰ আঢ়ৈ হাজাৰৰো অধিক যুৱক-যুৱতীয়ে ভাগ ল'ব। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছ'ৰোৰ মহাকাশচাৰী গ্ৰুপ কেপ্তেইন সুভাংশু শুক্লা আৰু গ্ৰুপ কেপ্তেইন প্ৰশান্ত নায়ৰে অংশগ্ৰহণকাৰীসকলৰ সৈতে মত বিনিময়ত কৰিব। ভাৰতীয় মহিলা ক্ৰিকেট দলৰ অধিনায়ক হৰমনপ্ৰীত কৌৰেও আলোচনাত ভাগ ল'ব। এই আলোচনাত পদ্ম সন্মানেৰে বিভূষিত কেইবাগৰাকী ব্যক্তি, যুৱ সাংসদ আৰু বিধায়কৰ লগতে পুলেলা গোপীচান্দ, লিয়েণ্ডাৰ পেজ, পালকী শৰ্মা, কৈৱাল্য ভোহৰা, শিৱব্ৰত দাস, আনন্দ কুমাৰকে ধৰি কেইবাগৰাকীও ক্ষেত্ৰ বিশেষজ্ঞই অংশগ্ৰহণ কৰিব।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰবাসী ভাৰতীয় দিৱস উপলক্ষে শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে প্ৰবাসী ভাৰতীয়সকল হৈছে ভাৰত আৰু বিশ্বৰ অন্যান্য দেশসমূহৰ মাজৰ এটা শক্তিশালী যোগাযোগৰ মাধ্যম। তেওঁ কয়, যে বিদেশত থকা ভাৰতীয় লোকসকলে দেশৰ সৈতে সংযোগ ৰক্ষা কৰিও য'তেই আছে, তাতেই এখন সমৃদ্ধ সমাজ গঢ়ি তুলিছে। প্ৰধানমন্ত্ৰী মোদীয়ে সমগ্ৰ বিশ্বতে ভাৰতীয় সংস্কৃতিক জনপ্ৰিয় কৰি তোলাৰ বাবে প্ৰবাসী ভাৰতীয়সকলক ৰাষ্ট্ৰদূত বুলি অভিহিত কৰে। তেওঁ লগতে কয়, যে চৰকাৰে প্ৰবাসী ভাৰতীয়সকলক দেশৰ সৈতে অধিক ওচৰ সম্পৰ্ক ৰখাৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০০০০০

ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীত ৰে'লৱেৰ ১০০ গৰাকী বিষয়াক ৭০ সংখ্যক অতি বিশিষ্ট ৰে'ল সেৱা পুৰস্কাৰ প্ৰদান কৰিব। শ্ৰেষ্ঠ প্ৰদৰ্শন কৰা ৰে'লৱে সংমণ্ডলক পুৰস্কাৰ স্বৰূপে ২৬ শ্বিল্ড প্ৰদান কৰা হ'ব। ভাৰতীয় ৰে'লৱেলৈ আগবঢ়োৱা অসাধাৰণ আৰু নিদৰ্শনমূলক সেৱাৰ স্বীকৃতি স্বৰূপে এই পুৰস্কাৰ প্ৰদান কৰা হ'ব। অনুষ্ঠানত ৰে'ল ৰাজ্যমন্ত্ৰী বি সোমন্না, ৰৱনীত সিং, ৰে'ল পৰিষদৰ অধ্যক্ষ তথা মুখ্য কাৰ্যবাহী বিষয়া সতীশ কুমাৰ, পৰিষদৰ সদস্য আৰু ৰে'লৰ বিভিন্ন সংমণ্ডল তথা উৎপাদন গোটৰ মহাপ্ৰবন্ধকসকলক উপস্থিত থাকিব। ৰে'ল মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, মহাকুম্ভৰ দৰে বৃহৎ অনুষ্ঠানৰ সময়ত নিৰাপদ আৰু সুগম যাত্ৰা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা কৰ্মীসকলক শ্বিল্ড প্ৰদান কৰা হ'ব। অনুষ্ঠানত অপাৰেচন সিন্দূৰৰ সময়ত প্ৰত্যাহ্বানমূলক পৰিস্থিতিত ৰে'লসেৱা সুনিশ্চিত কৰা আৰু উদ্ধাৰ অভিযান সহযোগ কৰা বিষয়াসকলকো সন্মানিত কৰা হ'ব।

০০০০০০০

মাদক দ্ৰব্যৰ কবলৰ পৰা দেশক ৰক্ষা কৰিবলৈ আৰু ইয়াৰ পৰ্যালোচনা তথা মূল্যায়ন কৰিবলৈ গৃহমন্ত্ৰী অমিত শ্বাহে আজি সন্ধিয়া মাদক দ্ৰব্যবিৰোধী সমন্বয় কেন্দ্ৰৰ নৱম বৈঠকত অধ্যক্ষতা কৰিব। এই বৈঠকত বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিব। বৈঠকত মাদক দ্ৰব্যৰ নেটৱৰ্ক, প্ৰত্যাহ্বান আদি আলোচনা কৰাৰ লগতে ইয়াৰ অনুসন্ধান আৰু প্ৰতিৰোধমূলক ব্যৱস্থা সন্দৰ্ভতো আলোকপাত কৰা হ'ব।

০০০০০০০০০

গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি ৰাষ্ট্ৰীয় আই ই ডি ডাটা ব্যৱস্থাপনা পদ্ধতি চমুকৈ NIDMS ভাৰ্চুৱেল মাধ্যমেৰে মুকলি কৰিব। এই অনুষ্ঠানৰ বিষয়ে সদৰি কৰি মন্ত্ৰীগৰাকীয়ে কয় যে NIDMS-ৰ জৰিয়তে দেশজুৰি থকা ATS গোটসমূহ, আৰক্ষী আৰু CAPFৰ তথ্যসমূহ অনলাইনযোগে উপলব্ধ হ'ব। এই ব্যৱস্থাই দুই ধৰণৰ মঞ্চৰ কাৰ্যসম্পাদন কৰিব। শ্ৰীশ্বাহে কয় যে অনাগত সময়ত NIDMS-য়ে সন্ত্ৰাসবাদীৰ আক্ৰমণসমূহৰ অনুসন্ধানৰ সময়ত তথ্য বিশ্লেষণ কৰাৰ ক্ষেত্ৰত নতুন প্ৰতিৰোধী ঢাল হিচাপে সেৱা আগবঢ়াব। বিশেষকৈ বোমা বিস্ফোৰণৰ ঘটনাৰ ক্ষেত্ৰত এই ব্যৱস্থা কাৰ্যকৰী হ'ব।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি পেৰিচত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰোক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কৌশলগত সহযোগিতা শক্তিশালী কৰাৰ ক্ষেত্ৰত সমসাময়িক গোলকীয় বিকাশ সন্দৰ্ভত ৰাষ্ট্ৰপতি মেক্ৰোৰ দৃষ্টিভঙ্গীক প্ৰশংসা কৰে। ড০ জয়শংকৰে ফ্ৰান্সৰ ৰাষ্ট্ৰদূতসকলৰ সন্মিলনত অংশগ্ৰহণ কৰি ভাৰত-ফ্ৰান্স সহযোগিতাৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশ সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

উল্লেখযোগ্য যে ফ্ৰান্সৰ ৰাষ্ট্ৰপতিগৰাকী অহা মাহত নতুন দিল্লীত হ'বলগীয়া কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত অংশ লোৱাৰ উদ্দেশ্যে ভাৰতলৈ আহিব।

০০০০০০০০০

ভেনিজুৱেলাৰ ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতি ডেল্‌চি ৰ'ড্ৰিগ'জে দেশখনত আমেৰিকান সেনাবাহিনীৰ আগ্ৰাসনক গৰিহণা দিছে। দেশখনৰ পূৰ্বৰ ৰাষ্ট্ৰপতি নিকোলাছ মাডুৰ'ক আমেৰিকান সৈন্যই বন্দী কৰাৰ পাছত ৰ'ড্ৰিগ'জক অন্তৰ্বৰ্তীকালীন নেতা ঘোষণা কৰা হৈছিল। ৰাষ্ট্ৰপতি ৰ'ড্ৰিগ'জে আমেৰিকান সৈন্যৰ আক্ৰমণত নিহত ভেনিজুৱেলা আৰু কিউবাৰ নাগৰিকৰ সন্মানৰ অৰ্থে এটা স্মাৰক আৰু বিশেষ আয়োগ গঠনৰ ঘোষণা কৰিছে। তেওঁ স্পষ্ট কৰে যে ভেনিজুৱেলাই আত্ম-প্ৰতিৰক্ষাৰ খাতিৰত অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰিছে আৰু এয়া আমেৰিকাৰ বাবে এটা শিক্ষা হ'ব বুলি মন্তব্য কৰিছে।

ইপিনে, ভেনিজুৱেলাৰ চৰকাৰে কিছুসংখ্যক বন্দীক মুকলি কৰি দিয়া কাৰ্যক ২০২৫ বৰ্ষত শান্তিৰ নবেল বঁটা প্ৰাপক মাৰিয়া কৰিনা মাছাডুৱে আদৰণি জনাইছে। নবেল বঁটা প্ৰাপক মাৰিয়া মাছাডুৱে কয় যে ৰাজনৈতিক বন্দীসকলক মুক্তি নিদিয়া পৰ্যন্ত তেওঁ নিজৰ সংগ্ৰাম চলাই যাব।

০০০০০০০০০

ইৰাণত চৰকাৰবিৰোধী প্ৰতিবাদে ত্ৰয়োদশ দিনত ভৰি দিয়াৰ লগতে ৩১খন প্ৰদেশলৈ ই সম্প্ৰসাৰিত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ দেশজুৰি ইণ্টাৰনেট সেৱা বন্ধ কৰি দিয়া হৈছে।

পৰিস্থিতি নিৰীক্ষণ গোট নেটব্লকৰ তথ্য অনুসৰি সমগ্ৰ দেশতে কালি সন্ধিয়াৰে পৰা আজি পুৱাৰ ভাগলৈ মোবাইল সংযোগ বন্ধ ৰখা হৈছে। মানৱ অধিকাৰ গোটসমূহৰ এখন প্ৰতিবেদন প্ৰকাশ পোৱা অনুসৰি এই প্ৰতিবাদত যোৱা ২৮ ডিচেম্বৰত শিশুকে ধৰি কমেও ৪৫গৰাকী লোক নিহত হোৱাৰ লগতে ২০০তকৈও অধিক লোকক আটক কৰা হৈছিল। নিৰ্বাসিত ৰাজকুমাৰ ৰেজা পাহাল্‌বিৰ আহ্বান মৰ্মে প্ৰতিবাদকাৰীসকলে সংগঠিত হৈ চাঁদৰ ওপৰত ধ্বনি দিয়াৰ পৰৱৰ্তী সময়ত তেহৰাণ আৰু অন্যান্য ডাঙৰ মহানগৰসমূহত ব্লেকআউট কৰা হয়। প্ৰত্যক্ষদৰ্শীয়ে প্ৰকাশ কৰা মতে প্ৰতিবাদকাৰী সকলে ৰাজপথ বন্ধ কৰাৰ লগতে ঠায়ে ঠায়ে অগ্নিসংযোগ কৰিছে আৰু চৰকাৰবিৰোধী ধ্বনি দিছে। নিৰাপত্তাৰক্ষীয়ে প্ৰতিবাদকাৰীক বাধা দিয়াৰ উদ্দেশ্যে কন্দুৱা গেছ প্ৰয়োগ কৰাৰ লগতে আটক কৰাৰ বাবে চিকিৎসালয়ত অভিযান চলোৱা কাৰ্যক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত গৰিহণা দিছে।

০০০০০০০

অলিম্পিকত দুবাৰৰ পদক বিজয়ী পি ভি সিন্ধু কুৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। আজি সিন্ধুৱে কোৱাৰ্টাৰ ফাইনেলত জাপানৰ আকানে য়ামাগুছিক ২১-১১ গেমত পৰাস্ত কৰে। খেলুৱৈগৰাকীয়ে ছেমি ফাইনেলত ইণ্ডোনেছিয়াৰ পুত্ৰী কুসুমা ৱাৰ্ডানি অথবা চীনৰ ৱেং-ঝি-য়িৰ মুখামুখি হ'ব। এয়া হ'ব মালয়েছিয়া অ'পেন প্ৰতিযোগিতাত সিন্ধুৰ প্ৰথমখন ছেমিফাইনেল।

ইপিনে, পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ সাত্বিকছাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ ছেট্টীৰ যুটীটো ইণ্ডোনেছিয়াৰ এম এছ ফিক্ৰী আৰু এফ অল্‌ফিয়ানৰ সন্মুখীন হ'ব। ভাৰতৰ শীৰ্ষ যুটীটোৱে কালি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়াৰ জুনেইডি আৰিফ আৰু ৰয় কিং য়াপৰ যুটীটোক ২১-১৮, ২১-১১ গেমত পৰাভূত কৰে।

০০০০০০

সমাপ্ত